**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-APR-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

------------------------------

১। বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি লৈ দুদিন বাকী থকা অৱস্থাত তাৰকা প্ৰচাৰকৰ উপস্থিতিত শাসক-বিৰোধীৰ ব্যাপক প্ৰচাৰ।
২। ৰাজ্যত এই পৰ্যন্ত ১৫০টা নিৰ্বাচনী আচৰণবিধি উলংঘাৰ অভিযোগ পঞ্জীয়ন।
৩। ৯ এপ্ৰিলত বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া নিৰীক্ষণৰ বাবে বিদেশী প্ৰতিনিধি দলৰ অসম আগমন।
৪। মেন অব গল্ডেন বুট নামেৰে পৰিচিত প্ৰসিদ্ধ ফুটবল খেলুৱৈ গিলবাৰ্টচন চাংমাৰ আজি শেষকৃত্য। *আৰু*
৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি গুজৰাট টাইটানছৰ বিৰুদ্ধে ৰাজস্থান ৰয়েলছৰ জয়লাভ।

০০০০০০

বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰিবলৈ দুদিন বাকী থকা অৱস্থাত শাসক-বিৰোধী উভয় পক্ষৰ প্ৰচাৰে ব্যাপক ৰূপ লৈছে। আজি কংগ্ৰেছ দলৰ নেতা তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধী প্ৰচাৰৰ বাবে অসমলৈ আহিব। শ্ৰী গান্ধীয়ে তিনিখন নিৰ্বাচনী সভাত অংশ ল'ব। তেওঁ বিশ্বনাথৰ চি টি চি খেলপথাৰ, গোলাঘাটৰ সমন্বয় ক্ষেত্ৰ আৰু কমলপুৰ সমষ্টিৰ বিহদিয়াত প্ৰচাৰ চলাব।

বিজেপিৰ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ নিৰ্বাচনী প্ৰচাৰৰ বাবে পুনৰ অসমলৈ আহিব। তেওঁ মৰাণত নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ লগতে ভৱানীপুৰ, সৰভোগ আৰু লামডিঙতো প্ৰচাৰ চলাব। বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি পশ্চিম গোৱালপাৰা, দুধনৈ, পলাশবাৰী আৰু বকো-ছয়গাঁৱত প্ৰচাৰ চলাব। দলৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কাইলৈ আৰু পৰহিলৈ বৰাক উপত্যাকাত নিৰ্বাচনী প্ৰচাৰ চলাব। ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিয়ে আজি যোৰহাটত নিৰ্বাচনী প্ৰচাৰ চলাব। কংগ্ৰেছ দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে কাইলৈ অসমলৈ আহিব। পৰহিলৈ তেওঁ এখন সংবাদমেল সম্বোধন কৰিব। কংগ্ৰেছ দলৰ নেত্ৰী প্ৰিয়ংকা গান্ধীয়েও কাইলৈ ৰাজ্যখনত প্ৰচাৰ চলাব।

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে কালি কাছাৰ জিলাৰ লক্ষীপুৰ বিধানসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী কৌশিক ৰায়ৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত ভাগ লয়। লাবক খেলপথাৰত আয়োজিত এই জনসভাত ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াইও অংশগ্ৰহণ কৰে। ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে কালি শ্ৰীভূমিৰ ৰামকৃষ্ণ নগৰতো দলটোৰ হৈ প্ৰচাৰ চলায়। বিজেপিৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি গুৱাহাটীৰ বাজপেয়ী ভৱনত এখন সংবাদমেল সম্বোধন কৰি এন ডি এ চৰকাৰৰ কামকাজ সন্দৰ্ভত আলোকপাত কৰাৰ লগতে কংগ্ৰেছ দলক সমালোচনা কৰে।

**(ৰাইট)**

মুখ্য বিৰোধী দল কংগ্ৰেছকে ধৰি অন্যান্য দলৰ প্ৰাৰ্থীসকলেও সমষ্টিয়ে সমষ্টিয়ে গৈ প্ৰচাৰ অব্যাহত ৰাখিছে। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে কালি গৌৰীপুৰ, বিলাসীপাৰা, নলবাৰী আৰু পৰ্বতঝোৱাত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক মেঘনাথ চেত্ৰীয়ে ন-দুৱাৰ, বিশ্বনাথ, কলিয়াবৰ আৰু

ঢকুৱাখনাত প্ৰচাৰ চলায়। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা কংগ্ৰেছ দলৰ নেতা অখিলেশ প্ৰসাদ সিঙে কালি এখন সংবাদমেলত দলটোৰ কামকাজ সম্পৰ্কত ব্যাখ্যা কৰাৰ লগতে শাসকীয় দলক সমালোচনা কৰে।

**(বাইট)**

নিখিল ভাৰত মহিলা কংগ্ৰেছ কমিটীৰ সভানেত্ৰী অলকা লাম্বাই শিলচৰ বিধানসভা সমষ্টিৰ প্ৰাৰ্থী অভিজিৎ পাল আৰু বৰখলা বিধানসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী ডাঃ অমিত কালোৱাৰৰ সমৰ্থনত কালি শিলচৰৰ অম্বিকাপুৰ, সুভাষ নগৰ আৰু বৰখলাত  নিৰ্বাচনী প্ৰচাৰ চলায়।

০০০০০০

শাসক-বিৰোধীৰ নিৰ্বাচনী প্ৰচাৰৰ মাজত ৰাজ্যৰ বিভিন্ন স্থানত ব্যাপক নিৰ্বাচনী আচৰণ বিধি উলংঘনৰ ঘটনা সংঘটিত হৈছে। নিৰ্বাচন আয়োগৰ ওচৰত এইপৰ্যন্ত ১৫০টা নিৰ্বাচনী আচৰণ বিধি উলংঘনৰ অভিযোগ পঞ্জীয়ন হৈছে। ইয়াৰ ভিতৰত বৰপেটা জিলাৰ সৰ্বাধিক ৫০টা নিৰ্বাচনী আচৰণ বিধি উলংঘনৰ ঘটনা সংঘটিত হৈছে। এইক্ষেত্ৰত নগাঁও দ্বিতীয় স্থানত আছে। জিলাখনত ৪২টা অভিযোগ পঞ্জীয়ন হৈছে। বঙাইগাঁও জিলাত ৩৩টা নিৰ্বাচনী আচৰণ বিধি উলংঘনৰ ঘটনা সংঘটিত হৈছে।

অসম আৰক্ষীয়ে ভুৱা বাতৰি, মান হানিকাৰক সমল আৰু আইন শৃংখলাজনিত পৰিস্থিতি সৃষ্টি কৰিব পৰা প'ষ্টসমূহ ৰোধ কৰাৰ উদ্দেশ্যে ছ'চিয়েল মিডিয়া প্লেটফৰ্মসমূহত তীক্ষ্ণ নজৰ ৰাখিছে। নিৰ্বাচন আয়োগৰ নিৰ্দেশমৰ্মে অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগৰ বিশেষ কোষে অভিযোগ লাভ কৰা বা নিজাববীয়াকৈ ব্যৱস্থা গ্ৰহণ কৰি সামাজিক মাধ্যমৰ পৰা আপত্তিজনক ১০০ শতাংশ প'ষ্ট আঁতৰোৱাটো নিশ্চিত কৰিছে। ২০ মাৰ্চত কাৰ্যক্ষম হোৱা কোষটোৱে বিভিন্ন সামাজিক মঞ্চৰ ২৭টা প্ৰফাইল আৰু হেণ্ডেল সামৰি ১৭টা অভিযোগ সন্দৰ্ভত ব্যৱস্থা গ্ৰহণ কৰিছে। এই সন্দৰ্ভত ২৯ মাৰ্চলৈ এখন এজাহাৰ পঞ্জীয়ন কৰাৰ লগতে মূল অভিযুক্তক গ্ৰেপ্তাৰ কৰা হৈছে।

০০০০০০

৯ এপ্ৰিলত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া নিৰীক্ষণ কৰাৰ উদ্দেশ্যে ৮ এপ্ৰিলত বিদেশী প্ৰতিনিধিৰ এটা দল অসমত উপস্থিত হ'ব। দলটোত এঙ্গোলা, ভূটান, ইজিপ্ত, পৰ্টুগাল, মেক্সিকো, শ্ৰীলংকা, বেনিন আৰু ক্ৰোৱেছিয়াকে ধৰি কেইবাখনো দেশৰ প্ৰতিনিধিক লৈ গঠিত দলটোৱে ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াৰ সৈতে বৈঠকত মিলিত হ'ব। তেওঁলোকে লগতে ক্ষেত্ৰপৰ্যায়ত নিৰ্বাচনৰ প্ৰস্তুতি পৰ্যবেক্ষণ কৰাৰ উদ্দেশ্যে নিৰ্বাচনী সামগ্ৰী কেন্দ্ৰ আৰু নিয়ন্ত্ৰণ কক্ষসমূহ পৰিদৰ্শন কৰিব। দলটোৱে ৯ এপ্ৰিলত ভোটদানৰ দিনা বিভিন্ন জিলাৰ ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰি ভোটদান প্ৰক্ৰিয়া, নিৰাপত্তা ব্যৱস্থা আৰু প্ৰযুক্তি ব্যৱহাৰৰ বুজ ল'ব।

০০০০০০

আসন্ন নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনসমূহে ব্যাপক প্ৰস্তুতি অব্যাহত ৰাখিছে। কাৰ্বি আংলং জিলাৰ ডিফুত কালি নিৰ্বাচনৰ বিশেষ পৰ্যবেক্ষক মনজিৎ সিং আৰু ৰাজ্যৰ মুখ্য নিৰ্বাচন  বিষয়া অনুৰাগ গোৱেলে জিলাখনৰ বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি পৰ্যালোচনা কৰে। পৰ্যালোচনা বৈঠকত ভোটগ্ৰহণত নিয়োজিত কৰ্মচাৰীসকলৰ প্ৰশিক্ষণ, পৰিবহন ব্যৱস্থা, আইন শৃংখলা, আহাৰ ব্যৱস্থাপনা আৰু অন্যান্য দিশসমূহৰ বুজ লোৱা হয়।

যোৰহাট জিলাতো কালি আয়ুক্ত জয় শিৱানীয়ে স্থানীয় কাছাৰীমৈদাম পৰিদৰ্শন কৰি নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লয়। তেওঁ নিৰ্বাচনৰ কাম-কাজৰ ক্ষেত্ৰত যান-বাহনৰ সু-ব্যৱস্থাৰ বাবে পৰিবহণ কোষৰ কাম-কাজ পৰ্যালোচনা কৰে। জিলা আয়ুক্তগৰাকীয়ে ৰিটাৰ্ণিং বিষয়া, চক্ৰ বিষয়া আৰু অন্যান্য জ্যেষ্ঠ বিষয়াসকলৰ সৈতে মত বিনিময় কৰে।

০০০০০০

সাহিত্য একাডেমী বঁটা প্ৰাপ্ত বিশিষ্ট সাহিত্যিক য়েছে দৰ্জে ঠংচিৰ **বাঁহ ফুলৰ গোন্ধ** শীৰ্ষক গ্ৰন্থ সংকলনৰ ইংৰাজী অনুবাদ **দ্যা স্মেল অফ বেম্ব ব্লছমছ** আমেৰিকাৰ অগ্ৰণী প্ৰকাশন গোষ্ঠী মডাৰ্ণ লাইব্ৰেৰীয়ে প্ৰকাশ কৰিব। এই সন্দৰ্ভত গ্ৰন্থখনৰ অনুবাদক তথা লেখক আৰুণি কাশ্যপৰ সৈতে প্ৰকাশন গোষ্ঠীটোৰ চুক্তিবদ্ধৰ বাতৰি নিউয়ৰ্কৰ

পাব্লিচার্চ মাৰ্কেটপ্লেছ নামৰ আলোচনীত প্ৰকাশ পাইছে। আন্তৰ্জাতিক কালজয়ী গ্ৰন্থ প্ৰকাশেৰে সুখ্যাতি লাভ কৰা প্ৰকাশন গোষ্ঠী মডাৰ্ন লাইব্ৰেৰীয়ে ইতিপূৰ্বে ভাৰতীয় লেখক চলমান ৰুছদিৰ **মিডনাইট চিলড্ৰেন** নামৰ গ্ৰন্থখন প্ৰকাশ কৰিছিল।

হিজ ফাডাৰ ডিজিছ, দ্যা হাউচ উইথ এ থাউজেণ্ড ষ্ট'ৰীজ আদি গ্ৰন্থৰে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো পৰিচিতি লাভ কৰা আৰুণি কাশ্যপ আমেৰিকাৰ জৰ্জিয়া বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহযোগী অধ্যাপক তথা ক্ৰিয়েটিভ ৰাইটিং বিভাগৰ সঞ্চালক।

০০০০০০

মেন অব গল্ডেন বুট নামেৰে পৰিচিত প্ৰসিদ্ধ ফুটবল খেলুৱৈ  গিলবাৰ্টচন চাংমাৰ শেষকৃত্য আজি গুৱাহাটীৰ মালিগাঁৱৰ আদিংগিৰি পাহাৰত সম্পন্ন কৰা হ'ব। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, কিম্বদন্তি ফুটবলাৰগৰাকীৰ কালি পুৱা গুৱাহাটীৰ কাহিলীপাৰাৰ নিজা বাসগৃহত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭০ বছৰ। অসম পুলিচ ফুটবল দলক ১৯৭২ৰ পৰা ১৯৮২ চনলৈ অধিনায়ক হিচাপে নেতৃত্ব দিয়া গিলবাৰ্ট চাংমাই এই সময়ছোৱাত মুঠ ৭ বাৰ সন্তোষ ট্ৰফী ছিনিয়ৰ ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযাগিতাত অসমক প্ৰতিনিধিত্ব কৰিছিল। তেওঁ লগতে অসম পুলিচৰ হৈ বৰদলৈ ট্ৰফী, এ টি পি এ শ্বিল্ড, কেপ্টেইন এন এম গুপ্তা ট্ৰফীৰ খিতাপ জয় কৰাত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছিল। গিলবাৰ্টচন চাংমাই ১৯৭৫ চনত ইণ্ডোনেচিয়া আৰু মালয়েচিয়াত প্ৰদৰ্শনীমূলক খেলত ভাৰতক প্ৰতিনিধিত্ব কৰিছিল। ফুটবলৰ মাজেৰে অসম আৰক্ষীক উচ্চ স্থানলৈ নিয়া চাংমা এসময়ত মেন অব গল্ডেন বুট নামেৰে পৰিচিত হয়। ১৯৮৫ চনত তেওঁ যোৰহাটত নাগালেণ্ড আৰক্ষীৰ বিৰুদ্ধে জীৱনৰ অন্তিমখন খেলত অংশ লৈছিল। অসম আৰক্ষীৰ পৰা দ্বিতীয় অধিনায়ক হিচাপে অৱসৰ গ্ৰহণ কৰা চাংমাক  ২০২২ চনত ৰাজ্য চৰকাৰে অসম সৌৰভ বটাঁ প্ৰদান কৰে। তেওঁ মৃত্যুত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড০ সমুজ্জল কুমাৰ ভট্টাচাৰ্যকে ধৰি বহুজনে শোক প্ৰকাশ কৰিছে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। হায়দৰাবাদত বিয়লি চাৰে ৩ বজাত হ'বলগীয়া প্ৰথমখন খেলত ছান ৰাইজাৰ্ছ হায়দৰাবাদ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব। বেংগালুৰুৰ এম ছিন্নস্বামী ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত হ'বলগীয়া দ্বিতীয়খন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইপিনে ৰাজস্থান ৰয়েলছে যোৱা নিশা আহমেদাবাদত অনুষ্ঠিত এখন ৰোমাঞ্চকৰ খেলত গুজৰাট টাইটানছক ৬ ৰানত পৰাস্ত কৰে। গুজৰাট টাইটানছে ২১১ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকটে হেৰুৱাই ২০৪ ৰানহে কৰিবলৈ সমৰ্থ হয়। গুজৰাটৰ হৈ ছাই সূদৰ্শনে ৭৩ ৰান কৰে যদিও খেলুৱৈগৰাকীৰ চেষ্টা অথলে যায়।  খেলখনৰ অন্তিম অভাৰত গুজৰাট টাইটানছক জয়ৰ বাবে ১১ ৰানৰ প্ৰয়োজন আছিল যদিও তুষাৰ দেশপাণ্ডেই সুন্দৰ বলিঙেৰে প্ৰতিপক্ষক ৪ ৰানহে সংগ্ৰহ কৰিবলৈ দিয়ে আৰু ৰাছিদ খানৰ উইকেতো দখল কৰে। ৰাজস্থান ৰয়েলছৰ হৈ ৰবি বিষ্ণ'ই ৪টা উইকেট দখল কৰে। ৰবি বিষ্ণ'ইক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। ইয়াৰ পূৰ্বে ৰাজস্থান ৰয়েলছে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ২১০ ৰান কৰে। ৰাজস্থানৰ হৈ ধ্ৰুৱ জুৰেলে সৰ্বাধিক ৭৫ ৰান কৰে। যশস্বী জয়ছোৱালে ৫৫ আৰু বৈভৱ সূৰ্যবংশীয়ে ৩১ ৰানৰ বৰঙণি আগবঢ়ায়। গুজৰাটৰ হৈ কাগিছো ৰাবাদাই দুটা উইকেট দখল কৰে।

ইয়াৰ পূৰ্বে দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত আন এখন খেলত ডেলহি কেপিটেলছে মুম্বাই ইণ্ডিয়ানছক ৬ উইকেটত পৰাভূত কৰে। ডেলহি কেপিটেলছে ১৬৩ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি সমীৰ ৰিজৱীৰ আকৰ্ষণীয় ৯০ ৰানৰ সহায়ত ১৮ অভাৰ আৰু এটা বলত ৪টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে।

ইয়াৰ আগেয়ে মুম্বাই ইণ্ডিয়ানছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১৬২ ৰান কৰে।

০০০০০০

১৪ এপ্ৰিলত বিধেয়ক, ৫০ শতাংশ বৃদ্ধি হ'ব বিধানসভা, লোকসভা আৰু ৰাজ্যসভাৰ আসন, ৰাজনৈতিক দলসমূহৰ নিৰ্বাচনী প্ৰচাৰ, আফগানিস্তানৰ ভূমিকম্পত কেইবাজনো লোক নিহত হোৱাৰ লগতে বিস্তৰ ক্ষয়-ক্ষতি, কিংবদন্তী ফুটবলাৰ গিলৰ্বাটছন চাংমাৰ দেহাৱসানৰ বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ বাতৰিৰ শিৰোনাম দখল কৰিছে।

ইৰান যুদ্ধৰ নেতিবাচক আৰু সুদূৰপ্ৰসাৰী প্ৰভাৱ অসমতো পৰিছে। দেশজুৰি ৰাসায়নিক সাৰৰ ব্যাপক নাটনি হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনকে ধৰি দেশৰ অন্যান্য কৃষিপ্ৰধান ৰাজ্যসমূহৰ কৃষকসকলৰ মাজত হাহাকাৰৰ সৃষ্টি হৈছে। এই বাতৰি **দৈনিক অসম** কাকতৰ।

শিৱসাগৰ জিলাৰ বিভিন্ন সমষ্টিত নিৰ্বাচনী প্ৰচাৰ চলাই মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যত বিধানসভাৰ সমষ্টিত ১৮৯টালৈ বৃদ্ধি হ'ব বুলি কৰা ঘোষণাৰ এটা বাতৰি **দৈনিক জনমভূমি** কাকতে প্ৰকাশ কৰিছে।

ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া নিৰীক্ষণ কৰাৰ উদ্দেশ্যে ৮ এপ্ৰিলত বিদেশী প্ৰতিনিধিৰ এটা দল অসমত উপস্থিত হ'ব। এই বাতৰি **দি আছাম ট্ৰিবিউন** কাকতৰ।

**দা ছেণ্টিনেল** কাকতে ৰাজ্যত অনিময়ৰ বাবে ৫টা ৰন্ধন গেছৰ চিলিণ্ডাৰৰ বিতৰকক সাময়িকভাৱে বিতৰকৰ অনুজ্ঞাপত্ৰ বাতিল কৰাৰ বাতৰি প্ৰকাশ কৰিছে।

মধ্য গুৱাহাটী সমষ্টিৰ বিৰোধী মিত্ৰজোঁটৰ অঃজাঃপঃ দলৰ প্ৰাৰ্থী কুংকি চৌধুৰীয়ে বিজেপিৰ আই চেলৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰাৰ এটা বাতৰি **অসমীয়া প্ৰতিদিন, দৈনিক অগ্ৰদূত** আৰু **অসমীয়া খবৰ** কাকতে প্ৰকাশ কৰিছে।

**আমাৰ অসম** কাকতে নিৰ্বাচনৰ বতৰত ৰাজ্যৰ বিভিন্ন অঞ্চলত নিৰ্বাচনী হিংসা সংঘটিত হোৱাৰ বাতৰি প্ৰকাশ কৰিছে।

অসম ফুটবলৰ যাদুকৰ গিলবাৰ্টছন চাংমাৰ দেহাৱসানৰ বাতৰি আজি **নিয়মীয়া বাৰ্তা** কাকতৰ লগতে আটাইবোৰ কাকতে প্ৰকাশ কৰিছে। আজি মহানগৰীৰ আদিংগিৰি পাহাৰত কিংবদন্তী ফুটবলাৰগৰাকীৰ শেষকৃত্য সম্পন্ন হ'ব।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

ৰাজ্যৰ ঠায়ে ঠায়ে মাছৰ বংশবৃদ্ধি আৰু উৎপাদন সুনিশ্চিত কৰাৰ উদ্দেশ্যে মাছ ধৰাৰ ক্ষেত্ৰত কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰা হৈছে। ঢকুৱাখনাত থলুৱা প্ৰজাতিৰ মাছ-কাছ আদি ধৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। ঢকুৱাখনা সমজিলাৰ অতিৰিক্ত জিলা দণ্ডাধীশ প্ৰভাত পেগুৱে জাৰি কৰা নিৰ্দেশ অনুসৰি ১ এপ্ৰিলৰ পৰা ১৪ জুলাইলৈ সমজিলাখনত ঢকুৱাখনা আৰু সোঁৱনশিৰি ৰাজহ চক্ৰৰ অন্তৰ্গত সকলো নৈ, জলাশয়, বিল, পুখুৰী আদিত বৰজাল, ফাচিজাল, মহাজাল ব্যৱহাৰ কৰি থলুৱা মাছ ধৰা নিষিদ্ধ কৰা হৈছে।

একেদৰে নগাঁও জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মাই মাছৰ উৎপাদন বৃদ্ধিৰ লক্ষ্যৰে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ অধীনত পহিলা এপ্ৰিলৰ পৰা ৩১ জুলাইলৈ ঘোষিত মৎস্যক্ষেত্ৰসমূহত ৰৌ, ভকুৱা, মিৰিকা, মালি, চিতল, খৰিয়া, কুঢ়ি আদি প্ৰজাতিৰ মাছ ধৰা নিষিদ্ধ কৰা হৈছে। ইয়াৰ উপৰি ১ চেণ্টিমিটাৰতকৈ কম ব্যাসৰ ফুটা থকা জাল ব্যৱহাৰ নিষিদ্ধ কৰা হৈছে।

বজালীতো জিলা দণ্ডাধীশ পাৰ্থপ্ৰতীম মজুমদাৰে মাছৰ উৎপাদন বৃদ্ধি আৰু খাল-বিলত মাছৰ প্ৰজনন সুৰক্ষিত কৰাৰ উদ্দেশ্যে নিষেধাজ্ঞা জাৰি কৰিছে। ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ ধাৰা অনুসৰি জাৰি কৰা এই নিষেধাজ্ঞা পহিলা এপ্ৰিলৰ পৰা প্ৰযোজ্য হৈছে আৰু ১৫ জুলাই পৰ্যন্ত বাহাল থাকিব।

ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে এটা নিৰ্দেশযোগে জনসাধাৰণক নৈ, জান, বিলত মাছ মৰা, ধৰা আৰু ফাঁচী জাল জাতীয় সঁজুলি ব্যৱহাৰ কৰাত নিষেধাজ্ঞা জাৰি কৰিছে। এই নিষেধাজ্ঞা অৱমাননা কৰা লোকক ভাৰতীয় ন্যায় সংহিতাৰ নিৰ্দিষ্ট ধাৰাত শাস্তি বিহা হ'ব বুলি কোৱা হৈছে।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া আৰু বিজুলী-ঢেৰেকনি অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল, নাগালেণ্ড আৰু মণিপুৰৰ কোনো কোনো অংশত পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। অৰুণাচল প্ৰদেশ, মিজোৰাম, আৰু ত্ৰিপুৰাৰ কিছু কিছু অঞ্চলত পাতলীয়া পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**